Total No. of Printed Pages—6

**25 T—ADAS**

# 2015

## ADVANCE ASSAMESE

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) 'বৰ্ষা বৰ্ণন' কবিতাটিত বৰ্ষাকালৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ৫

*অথবা*

(খ) 'ই যে অগ্নি-বীণাৰ তান' কবিতাটিত প্ৰকাশ পোৱা স্বদেশপ্ৰেমৰ আভাস দাঙি ধৰা।

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ যি কোনো **এছোৱা** ব্যাখ্যা কৰা : ১+৩=৪

(ক) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।

(খ) ব্ৰহ্মাণ্ডত চালি-জাৰি ক'তো হ'লে পোৱা নাই
এদিনৰ কাৰণেও
সৰলতা আজি তেনেকুৱা।

৩। (ক) "প্ৰকৃতিৰ অভিনয় মানপী পুতলা
আহিল, উঠি গ'ল
পাতি পাতি বিচিত্ৰ মেলা,
হাঁহি আৰু কান্দোনৰ নৱ নৱ খেলা।"

মানুহক 'প্ৰকৃতিৰ অভিনয় পুতলা' বুলি কিয় কৈছে? ৩

(খ) "বিৰহ-কাতৰ মই, বিৰহত মৰোঁ দেই-পুৰি,
অ' মোৰ প্ৰাণৰ প্ৰিয়া, ক'ত যাম তোমাক বিচাৰি।"

কবিৰ বিৰহৰ চিত্ৰ ইয়াৰ মাজেৰে কিদৰে প্ৰকাশ পাইছে, লিখা। ৩

(গ) ডিম্বেশ্বৰ নেওগৰ পিতৃৰ আৰু জন্মলাভ কৰা গাঁওখনৰ নাম লিখা। ১+১=২

৪। চমু উত্তৰ দিয়া : ১×৩=৩

(ক) তোমাৰ পাঠ্য-পুথিত থকা শ্ৰীমন্ত শংকৰদেৱৰ 'বৰ্ষা বৰ্ণন' কবিতাটি ক'ৰ পৰা লোৱা হৈছে ?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ দ্বাৰা ৰচিত প্ৰথম কবিতা-পুথিখনৰ নাম কি ?

(গ) অসমৰ সাহিত্য জগতত অম্বিকাগিৰী ৰায়চৌধুৰীক কি বিশেষণেৰে জনা যায় ?

৫। (ক) 'বুৰঞ্জীৰ দৌৰাত্ম্য' নামৰ পাঠটিৰ মূল কথাখিনি তোমাৰ ভাষাত চমুকৈ লিখা। ৫

*অথবা*

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন-দৰ্শনত কেনেধৰণৰ পাৰ্থক্য থকা বুলি লক্ষ্মীধৰ শৰ্মাই উল্লেখ কৰিছে, বুজাই লিখা।

৬। বিহুক অসমৰ জাতীয় উৎসৱ বুলি কিয় কোৱা হয়? তোমাৰ পাঠ্য প্ৰবন্ধৰ সহায়ত চমুকৈ লিখা। ৩

৭। (ক) তলৰ যি কোনো **দুটাৰ** বিষয়ে চমু টোকা লিখা : ২×২=৪

বাঁহী ; হলিৰাম ঢেকিয়াল ফুকন ; বেদ ; আয়ুৰ্বেদ।

(খ) চমু উত্তৰ দিয়া : ১×৩=৩

(১) 'বুৰঞ্জী' কি ভাষাৰ শব্দ ?

(২) 'ধী-শক্তি' মানে কি ?

(৩) 'অসমৰ স্কট' ৰূপে কাক কোৱা হয় ?

৮। ‘‘কপিলী দুখৰো চকুলো—আনন্দৰো চকুলো।’’

এই উক্তিৰ আধাৰত ‘কপিলীপৰীয়া সাধু’ উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা। ৬

৯। (ক) ৰূপাই কোন? তেওঁৰ বিষয়ে চমুকৈ লিখা। ১+৩=৪

(খ) তলৰ যি কোনো **দুটাৰ** বিষয়ে চমুকৈ লিখা : ৩×২=৬

হাৰিয়া ; তিলক গোঁসাই ; চুধাংচু বাবু ; চামগুৰীয়া।

১০। (ক) ‘‘মোৰ কথাবোৰ বাৰু বেঁকা—তই চিধা বাট ল।’’

কোনে, কাক এনেকৈ কৈছিল? ১+১=২

(খ) ‘‘কোন? সেই ‘কৈদী’ গোঁসাই?’’

কোনে, কাক ‘কৈদী’ গোঁসাই বুলি কৈছে? ১+১=২

১১। (ক) ‘আমাৰ ছাৰ’ৰ প্ৰকৃত নাম কি? তেওঁৰ চৰিত্ৰটো বিশ্লেষণ কৰি দেখুওৱা। ১+৪=৫

*অথবা*

(খ) ‘হাতী’ গল্পত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অংকিত হৈছে তাক বিশ্লেষণ কৰি দেখুওৱা। ৫

১২। (ক) ‘‘নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি।’’ এই বাক্যটি ক’ৰ পৰা উদ্ধৃত? ইয়াত উল্লেখ কৰা অথৰ্ব প্ৰতিনিধি দুটা কোন কোন? ১+১+১=৩

(খ) হোমেন বৰগোহাঞিদেৰে ৰচনা কৰা একমাত্ৰ কাব্য-সংকলনখনৰ নাম কি? ১

(গ) যোগেশ দাসে ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা। ১

১৩। (ক) চুটিগল্প আৰু উপন্যাসৰ পাৰ্থক্যসমূহ চমুকৈ আলোচনা কৰা। ৪

অথবা

(খ) চুটিগল্প বুলিলে কি বুজা? ইয়াৰ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰা। ২+২=৪

১৪। তলৰ যি কোনো **দুটাৰ** বিষয়ে চমুকৈ লিখা : ৩×২=৬

(ক) চুটিগল্পৰ আৰম্ভণি আৰু পৰিসমাপ্তি

(খ) চুটিগল্প আৰু সাধুকথাৰ পাৰ্থক্য

(গ) উপন্যাসৰ সংলাপ

(ঘ) বিষয়বস্তু অনুসৰি উপন্যাসৰ শ্ৰেণী-বিভাজন

১৫। (ক) সাহিত্যত অলংকাৰৰ প্ৰয়োজন কি? শব্দালংকাৰ আৰু অৰ্থালংকাৰ কাক বোলে? উদাহৰণসহ বুজাই লিখা। ২+২+২=৬

(খ) তলৰ যি কোনো **দুবিধ** অলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২×২=৪

উপমা ; অপ্ৰস্তুত প্ৰশংসা ; শ্লেষ ; অনুপ্ৰাস।

১৬। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক জীৱনৰ চমু পৰিচয় দি তেওঁৰ দ্বাৰা প্ৰণীত চুটিগল্পৰ পুথিসমূহৰ নাম লিখা। ৩+৩=৬

(খ) ৰজনীকান্ত বৰদলৈয়ে জনজাতীয় জীৱনক পটভূমি হিচাপে লৈ লিখা উপন্যাসখনৰ নাম কি? তেওঁ ৰচনা কৰা উপন্যাস-সাহিত্যৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা। ১+৪=৫

(গ) চমু উত্তৰ দিয়া : ১×৪=৪

(১) 'লাহৰী' উপন্যাসৰ ৰচক কোন ?

(২) দৈবচন্দ্ৰ তালুকদাৰে ৰচনা কৰা এখন উপন্যাসৰ নাম লিখা ।

(৩) 'বাজীকৰ' নামৰ গল্প-পুথিখনৰ ৰচক কোন ?

(৪) দণ্ডিনাথ কলিতা মুখ্যতঃ ঔপন্যাসিক নে গল্পকাৰ ?

★★★